# ডিমৰীয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞানমনস্কতা দিৱস উদ্‌যাপন



## বিজ্ঞানমনস্ক যাত্ৰাৰ উদ্যোগ

নিজা বাতৰি দিওঁতা

সোণাপুৰ, ২০ আগষ্ট ঃ মহানগৰীৰ উপকণ্ঠৰ ক্ষেত্ৰীৰ ডিমৰীয়া মহাবিদ্যালয়ত আজি বিজ্ঞানমনস্ক যাত্ৰাৰ উদ্যোগত আৰু ডিমৰীয়া ১১ পৃষ্ঠাত চাওক



থাৰ্মোকলৰ ভূৰখনেৰেহ সুতিটো পাৰ হৈ ...

# ডিমৰীয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয়

মহাবিদ্যালয়ৰ সহযোগত ৰাষ্ট্ৰীয় বিজ্ঞানমনস্কতা দিৱস দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। উল্লেখ্য যে অন্ধবিশ্বাস বিৰোধী যুঁজৰ সেনাপতি ডঃ নৰেন্দ্ৰ ডাভোলকাৰৰ মৃত্যু দিৱসৰ লগত সংগতি ৰাখি দেশৰ বিভিন্ন প্ৰগতিশীল, যুক্তিবাদী তথা বিজ্ঞানমনস্ক অনুষ্ঠান-প্ৰতিষ্ঠানৰ আহ্বান অনুসৰি প্ৰতিবছৰে ২০ আগষ্টৰ দিনটো ৰাষ্ট্ৰীয় বিজ্ঞানমনস্কতা দিৱস হিচাপে পালিত হৈ আহিছে। বিশেষকৈ সমাজত প্ৰচলিত সকলো কু-অভ্যাস, অন্ধবিশ্বাস আৰু ক্ষতিকাৰক পৰম্পৰাৰ বিৰুদ্ধে সজাগতা সৃষ্টি আৰু বৈজ্ঞানিক স্বভাৱ আৰু বিজ্ঞানক প্ৰসাৰিত কৰাৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণৰ মাজত আজিৰ অনুষ্ঠানে গভীৰ ৰেখাপাত কৰিবলৈ সক্ষম হয়। ডিমৰীয়া মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মানৱ বৰকাকতিয়ে আদৰণী ভাষণেৰে আৰম্ভ কৰা অনুষ্ঠানটোত উদ্দেশ্য ব্যাখ্যা কৰে অধ্যাপিকা মাধুৰীমা বৰুৱাই। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হয় বিজ্ঞান আৰু বিজ্ঞানমনস্কতা বিষয়ক আকস্মিক বক্তৃতা প্ৰতিযোগিতা। ইয়াত অসীম ৰংহাঙে প্ৰথম, সাগৰিকা শইকীয়াই দ্বিতীয় আৰু কুশল তেৰাঙে তৃতীয় স্থান লাভ কৰে। অধ্যাপিকা কিমি দাসে আঁত ধৰা অনুষ্ঠানটোত অন্ধবিশ্বাস আৰু ক্ষতিকাৰক পৰম্পৰাৰ সবিশেষ ব্যাখ্যাৰে বক্তৃতা প্ৰদান কৰে হুামজা চৌধুৰীয়ে। ইয়াৰ পাছতে লেখক-সাংবাদিক পুলিন কলিতাই বিজ্ঞানমনস্কতাৰ বাট আৰু প্ৰয়োজনীয়তাৰ সম্পৰ্কত বক্তৃতা দি বৈজ্ঞানিক স্বভাৱ আৰু বিজ্ঞানৰ প্ৰসাৰ সম্পৰ্কত আলোকপাত কৰাৰ লগতে উমেশ গোস্বামীয়েও অন্ধবিশ্বাসৰ সম্পৰ্কত বক্তৃতা দিয়ে। অধ্যাপিকা সংচিতা চেতিয়াই শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

... নিজা বাতৰি দিওঁতা ঃ ইলোৰা বিজ্ঞান

যুগত বিজ্ঞানৰ অৱদান সম্পৰ্কত উল্লেখ কৰি বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ চমকপ্ৰদ উন্নতিয়ে একবিংশ শতিকাত মানৱ সভ্যতাক সফলতাৰ শিখৰত উপনীত কৰোৱাৰ কথা উল্লেখ কৰে। আলোচনাচক্ৰত কান্ধবাৰী হাইস্কুলৰ প্ৰধান শিক্ষক আব্দুল মজিদ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ইমান আলী, এছ এফ আইৰ বৰক্ষেত্ৰী আঞ্চলিক সমিতিৰ সভাপতি ৰেকিবুল হক, কৃষক সভাৰ বৰক্ষেত্ৰী আঞ্চলিক সমিতিৰ উপ-সভাপতি হবিব আলীকে প্ৰমুখ্য কৰি কান্ধবাৰী হাইস্কুলৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

**চামতাৰ নিজা বাতৰি দিওঁতা ঃ** অন্ধবিশ্বাস, কু-সংস্কাৰমুক্ত সমাজ গঢ়াৰ বাবে যুঁজ দি আততায়ীৰ হাতত প্ৰাণ বিসৰ্জন দিয়া নৰেন্দ্ৰ ডাভোলকাৰৰ ১১সংখ্যক মৃত্যু দিৱস উপলক্ষে ইলোৰা বিজ্ঞান মঞ্চ, পশ্চিম নলবাৰী শাখাৰ উদ্যোগত, কামৰূপ মহাবিদ্যালয়, চামতাৰ সহযোগত আজি কামৰূপ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞানমনস্কতা দিৱস পালন কৰা হয়। এই উপলক্ষে দিনৰ ১ বজাত নলবাৰী জিলা ভিত্তিত প্ৰেৰণা পুথিভঁৰালৰ সৌজন্যত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কুইজ পৰিচালনা কৰে প্ৰেৰণা পুথিভঁৰালৰ মুখ্য পৰিচালক দ্বিজেন্দ্ৰ নাৰায়ণ শৰ্মাই। দিনৰ প্ৰায় ২ বজাত কামৰূপ মহাবিদ্যালয়ৰ উপাধ্যক্ষা ডঃ কবিতা চৌধুৰীৰ সঞ্চালনাত অনুষ্ঠিত হয় 'সৃষ্টি, স্থিতি, বিকাশ আৰু বিজ্ঞানমনস্কতাৰ প্ৰাসংগিকতা' বিষয়ক আলোচনা সভা। আলোচনাৰ বিষয়বস্তু উত্থাপন কৰে নলবাৰী ডি এছ আৰ একাডেমীৰ প্ৰবক্তা কমল নয়ন মিশ্ৰই। মুখ্য আলোচক হিচাপে কটন বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ডঃ পৱন কুমাৰ চহৰীয়াই বিষয়বস্তুৰ ওপৰত এক সাৱলীল আৰু তত্ত্বগধুৰ আলোচনা আগবঢ়ায়। ইলোৰা বিজ্ঞান মঞ্চ, পশ্চিম নলবাৰী শাখাৰ সম্পাদক হৰমোহন বৰ্মন আৰু সদস্য খগেন বৰ্মনে